বৃহস্পতিবাৰ, ১১ ছেপ্টেম্বৰ ২০২৫ নিয়মীয়া বাৰ্তা

# দিছপুৰ কলেজত আন্তৰ্জাতিক যোগ দিৱস



মহানগৰ বাৰ্তা, ১০ ছেপ্টেম্বৰ ঃ দিশপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ উদ্যোগত আই চি পি আৰৰ পৃষ্ঠপোষকতাত আজি দিশপুৰ মহাবিদ্যালয়ৰ নলিনীবালা দেৱী প্ৰেক্ষাগৃহত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখন বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই আদৰণী ভাষণ দিয়ে আৰু দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° শশীমোহন দাসে বক্তৃতানুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানটোত সমল ব্যক্তিৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° আকইজাম থৈবিছানা আৰু পাণ্ডু মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপক ড° মৈত্ৰেয়ী শৰ্মা। ড° আকইজাম থৈবিছানা ‘এমবডিমেণ্ট এছ এন এপ্ৰ’চ টু য়ুগা’ সন্দৰ্ভত আৰু ড° মৈত্ৰেয়ী শৰ্মাই ‘য়ুগা এণ্ড হিউমেন এমপাৱাৰমেণ্ট’ সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। দৰ্শন বিভাগৰ পঞ্চম যাণ্মাসিকৰ ছাত্ৰী পৰীস্মিতা কলিতা আৰু জীনা বৰুৱাই যোগ আৰু দৰ্শন বিষয়ক গৱেষণা-পত্ৰ পাঠ কৰে। অনুষ্ঠানটোত পৰ্যবেক্ষক ৰূপে উপস্থিত থাকে দিশপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° প্ৰণীতা শৰ্মা। অনুষ্ঠানটোত দৰ্শন বিভাগৰ প্ৰাচীৰ পত্ৰিকা লাভ অৱ উইছডম উন্মোচন কৰা হয়। বিভাগৰ সহযোগী অধ্যাপক ড° মামণি কলিতাই আঁতধৰা অনুষ্ঠানটোত ড° নাজনীন আহমেদে শলাগৰ শৰাই আগবঢ়ায়।